**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 19-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। কেন্দ্ৰীয় কেবিনেটে আজি ৪ টা ৰে'ল প্ৰকল্প আৰু এটা ঘাইপথ প্ৰকল্পকে ধৰি ৫ টা প্ৰকল্পত অনুমোদন জনায়।

২। ভাৰতীয় তথ্যসেৱা আৰু ভাৰতীয় পৰিসংখ্যা সেৱাৰ বিষয়া প্ৰশিক্ষাৰ্থীসকলে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে।

৩। ভাৰত আৰু ছিংগাপুৰৰ মাজত কাইলৈ ছিংগাপুৰত চতুৰ্থ বাণিজ্যিক ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মহাৰাজা বীৰ বিক্ৰম কিশোৰ মানিক্য বাহাদুৰৰ ১১৮ সংখ্যক জন্ম জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। *আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কিছুসময় পূৰ্বে কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত প্ৰথমখন ছেমিফাইনেলত ইষ্ট বেংগল এফ চি, স্পৰটিং ক্লাৱ দিল্লীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

কেন্দ্ৰীয় কেবিনেটে আজি ৪ টা ৰে'ল প্ৰকল্প আৰু এটা ঘাইপথ প্ৰকল্পকে ধৰি ৫ টা প্ৰকল্পত অনুমোদন জনাইছে। আজি নতুন দিল্লীত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ আগত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় কেবিনেটে আজি ১৩ হাজাৰ ৪১ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনায়। শ্ৰীবৈষ্ণৱে কয়, যে ৰে'লৰেৰ ৪ টা মালটিট্ৰেকিং প্ৰকল্পই সমগ্ৰ পশ্চিমবংগ, ওড়িশা, তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ ৮ খন জিলা সামৰি লব। তেওঁ লগতে জনাই যে প্ৰায় ৯ হাজাৰ ৪৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পই ভাৰতীয় ৰে'লৰে খণ্ডত প্ৰায় ৪১০ কিলোমিটাৰ সংযোগ কৰিব। ২০৩০-৩১ চনৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া এই প্ৰকল্পই ভাৰতীয় ৰে'লৰেৰ কাৰ্যকৰী দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতাৰ মান উন্নত কৰিব। প্ৰস্তাৱিত প্ৰকল্পটোৱে প্ৰায় ৬০ লাখ জনসংখ্যা  থকা ৬ হাজাৰ ৪৪৮ খন গাঁৱৰ সংযোগ বৃদ্ধি কৰিব।

বাইট-অশ্বিনী

শ্ৰীবৈষ্ণৱে কয়, যে কেন্দ্ৰীয় কেবিনেটে বিহাৰত ২২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মুজফ্‌ফৰপুৰ, চিতামৰহি, সোণবৰ্ছা অংশত চাৰিলেনযুক্ত ঘাইপথলৈ উন্নতকৰণৰ বাবে অনুমোদন জনাইছে। তেওঁ কয় যে ৮২ দশমিক ৫৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰকল্পটোৱে মুঠ ৩ হাজাৰ ৫৯০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হ'ব। এই প্ৰকল্পৰ জৰিয়তে যাত্ৰী আৰু মালবাহী পৰিবহনৰ দ্ৰুত আৰু নিৰাপদ চলাচল, ভ্ৰমণকাৰীৰ সংখ্যা বৃদ্ধি আৰু আঞ্চলিক সংযোগ শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে  বিহাৰৰ সম্প্ৰসাৰিত ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ সৈতে প্ৰস্তাৱিত প্ৰকল্পটোৱে কৌশলগত আৰু অৰ্থনৈতিক প্ৰাসংগিকতাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

বাইট-অশ্বিনী বিহাৰ

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে প্ৰযুক্তি, সংবাদমাধ্যম, অৰ্থনীতি আৰু ৰাজহুৱা খণ্ডৰ নীতি-নিৰ্দেশনাসমূহ দ্ৰুতগতিত পৰিৱৰ্তিত হৈছে। ভাৰতীয় তথ্যসেৱা আৰু ভাৰতীয় পৰিসংখ্যা সেৱাৰ বিষয়া প্ৰশিক্ষাৰ্থীসকলে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎকাৰৰ সময়ত তেওঁ এই কথা সদৰি কৰে। এই সন্দৰ্ভত বিষয়াসকলক নিৰপেক্ষ সিদ্ধান্ত গ্ৰহণ কৰা আৰু আচাৰ ব্যৱহাৰত দয়া আৰু সততা বৰ্তাই ৰখাৰ ক্ষেত্ৰত বদ্ধপৰিকৰ হ'বলৈ পৰামৰ্শ প্ৰদান কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জনসাধাৰণক সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে বিষয়াসকলক ন্যস্ত কৰা দায়িত্বসমূহ ন্যায়, সততা আৰু নিষ্ঠাৰ মনোভাৱেৰে পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

শ্ৰীমতী মুৰ্মুৱে কয় যে শাসনৰ মানদণ্ড উন্নত কৰা আৰু জনসাধাৰণক সেৱা আগবঢ়োৱা- এই উমৈহতীয়া উদ্দেশ্য সাধনত দুয়োটা সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ ফলপ্ৰসূ যোগাযোগ ব্যৱস্থা আৰু বিশ্বাসযোগ্য তথ্যৰ যোগানত সঁহাৰি আগবঢ়োৱা বিষয়টো গণতন্ত্ৰৰ এক অপৰিহায্য অংগ বুলি প্ৰশিক্ষাৰ্থী সকলক জানিবলৈ দিয়ে। ৰাষ্ট্ৰপতি মুৰ্মুৱে বিষয়া প্ৰশিক্ষাৰ্থীসকলক কৌতুহলী মনোভাৱ গঢ়ি তোলা, সাম্প্ৰতিক শিক্ষা ব্যৱস্থা, নতুন নতুন বিষয়ত দক্ষতা বৃদ্ধি আৰু অভিজ্ঞতাৰ পৰা জ্ঞান অৰ্জন কৰিবলৈ আহ্বান জনায়।

ভাৰতীয় তথ্য সেৱাৰ ভূমিকাৰ গুৰুত্বক আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ই নাগৰিকৰ সৈতে চৰকাৰৰ সংযোগ সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে সামাজিক মাধ্যমে জনসাধাৰণে তথ্য গ্ৰহণ, তথ্য আদান প্ৰদান আৰু নিত্য নতুন তথ্যৰ প্ৰতি সঁহাৰি জনোৱাৰ ধৰণত যথেষ্ট পৰিৱৰ্তন আনিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে বিষয়াসকলক সামাজিক মাধ্যমৰ মঞ্চ কেৱল নাগৰিকসকলক তথ্য অৱগত আৰু ইয়াৰ সৈতে জড়িত কৰাই নহয় তেওঁলোকৰ অভিযোগ শুনিবলৈ, বুজিবলৈ আৰু উপযুক্ত সঁহাৰি জনোৱাৰ ক্ষেত্ৰতো এই মঞ্চ সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। যেতিয়া তথ্যসমূহ দ্ৰুতগতিত বিস্তাৰ হয়, তেতিয়া তথ্যৰ সত্যতা, বিশ্বাসযোগ্যতা আৰু জনস্বাৰ্থই সদায় চৰকাৰী যোগাযোগক পথ প্ৰদৰ্শন কৰিব বুলি তেওঁ সঁজোৰে উল্লেখ কৰে। ০

০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মাজত কাইলৈ হ'বলগীয়া চতুৰ্থ বাণিজ্যিক ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ বাবে উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেল তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ ৰাওনা হৈছে। তেওঁৰ সৈতে দেশৰ বিভিন্ন উদ্যোগ ক্ষেত্ৰৰ ৭০ গৰাকী আগশাৰীৰ ব্যৱসায়িক নেতাৰ এটা প্ৰতিনিধি দলো দেশখনলৈ গৈছে। এই দলটোৱে ভাৰত আৰু ছিংগাপুৰৰ অৰ্থনৈতিক আৰু বাণিজ্যিক বান্ধোন শক্তিশালী কৰাৰ বাবে চেষ্টা চলাব। দুয়ো দেশৰ মাজত সৰ্বাত্মক অংশীদাৰিত্ব বৃদ্ধিৰ লক্ষ্যৰে এই মেজমেলৰ আয়োজন কৰা হৈছে। এই কাৰ্য্যসূচীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্. জয়শংকৰ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বৈদ্যুতিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ লগতে কেইবাগৰাকী মন্ত্ৰী তথা বিভিন্ন বিভাগৰ নেতা সকল উপস্থিত থাকিব। মন্ত্ৰীসকলে ছিংগাপুৰত তেওঁলোকৰ অনুৰূপ দপ্তৰৰ মন্ত্ৰীৰ সৈতে বিভাগীয় বিষয় লৈ আলোচনা কৰিব। শ্ৰী গোৱেলে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৰঙকো ইষ্টানাত সাক্ষাৎ কৰিব। মন্ত্ৰীগৰাকীয়ে আন্ত-ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিভিন্ন ব্যৱসায়িক সংস্থাৰ প্ৰতিনিধিৰ সৈতেও বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে ২০২২ চেপ্তেম্বৰত দুয়োখন দেশৰ মাজত প্ৰথমবাৰৰ বাবে ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল।

০০০০০

আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মহাৰাজা বীৰ বিক্ৰম কিশোৰ মানিক্য বাহাদুৰৰ ১১৮ সংখ্যক জন্ম জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰীসিঙে কয় যে মহাৰাজা বীৰ বিক্ৰম কিশোৰ মানিক্য বাহাদুৰে ত্ৰিপুৰাৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছিল। যাৰ ফলস্বৰূপে তেওঁৰ শাসনকালত কৃষি স্বাস্থ্য সেৱা, শিক্ষা, আন্তঃগাথনি আৰু যোগাযোগ খণ্ডত যথেষ্ট উন্নয়ন পৰিলক্ষিত হৈছে। সামাজিক

মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ প্ৰসাৰৰ বিষয়টোৱে প্ৰজন্মৰ পাছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাৰ মহাৰাজ বীৰ বিক্ৰম কিশোৰ মাণিক্য বাহাদুৰৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে মহাৰাজ মাণিক্য বাহাদুৰ এগৰাকী দূৰদৰ্শী নেতা হোৱাৰ লগতে প্ৰশাসনক জনসাধাৰণৰ কাষলৈ লৈ যোৱাৰ পোষকতা কৰিছিল। মহাৰাজ মাণিক্য বাহাদুৰক আধুনিক ত্ৰিপুৰাৰ খনিকৰ বুলি অভিহিত কৰাৰ লগতে তেওঁ শিক্ষা, আন্তঃগাঁথনি আৰু প্ৰশাসন ব্যৱস্থালৈ যথেষ্ট বৰঙণি আগবঢ়োৱাৰ কথা উল্লেখ কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি. পি ৰাধাকৃষ্ণণে আজিৰে পৰা দুদিনীয়াকৈ উত্তৰাখণ্ড ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত তেওঁ ডেৰাদুনৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় ফৰেষ্ট একাডেমীত ভাৰতীয় বন সেৱাৰ ২০২৫-২৭ বৰ্ষৰ প্ৰশিক্ষাৰ্থী বিষয়া সকলক উদ্দেশ্যি ভাষণ দিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ মৌচুৰীত লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসনীয় একাডেমীত ২০২৪ বেটছৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া সকলৰ বাবে আয়োজিত দ্বিতীয় বৃত্তিমুখী পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত অংশ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আৰক্ষী আৰু প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। তদুপৰি জিলা প্ৰশাসনে যান বাহন আৰক্ষী, নিৰাপত্তা বিভাগ আৰু অন্যান্য সকলক যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ তামিলনাডুৰ মহাবলীপুৰমত দক্ষিণ খণ্ড পৰিষদৰ বৈঠকত সভাপতিত্ব কৰিব। এই পৰিষদত অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰালা, তামিলনাডু আৰু তেলেংগানাৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰী, আন্দামান নিকোবৰ আৰু লক্ষদ্বীপ সন্নিবিষ্ট আছে। দক্ষিণ অঞ্চলৰ সদস্য ৰাষ্ট্ৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপৰাজ্যপাল, মুখ্যমন্ত্ৰী, প্ৰশাসকসকলৰ লগতে প্ৰতিখন ৰাজ্যৰ দুজন জ্যেষ্ঠ মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে এই বৈঠকৰ বাবে মুখ্য সচিব পৰ্যায়ৰ এখন স্থায়ী সমিতি গঠন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰৰ বাবে গ্ৰহণ কৰা টীম ভাৰতৰ কল্পনা, সমবায় ফেদাৰলিজিম আদি বিষয়ত এই পৰিষদে উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কিছুসময় পূৰ্বে কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত প্ৰথমখন ছেমিফাইনেলত ইষ্ট বেংগল এফ চি, স্পৰটিং ক্লাব দিল্লীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ